অসমীয়া ছন্দ সম্পৰ্কীয় কেইটামান প্ৰশ্নৰ উত্তৰৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৈ 'অসমীয়া ছন্দ শিল্পৰ ভূমিকা' কিতাপৰ পৰা এটি পাঠ দিয়া হ'ল। প্ৰশ্নসমূহ এনেধৰণৰ হ'ব পাৰে-

১। আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ ছন্দ মূলত: কি ভিত্তিক? ২

২। ধ্বনিৰ কালগত ব্যাপ্তি কি? ১

৩। বৃত্ত শব্দটো কেতিয়া ব্যৱহাৰ কৰা হয়? ১

৪। অসমীয়া ছন্দৰ ত্ৰিধাৰা বা তিনিটা ৰীতি সম্পৰ্কে এটি আলোচনা লিখা। ১০

৫। অসমীয়া ছন্দৰ ক্ষেত্ৰত ব্যৱহৃত ধ্বনি কেইপ্ৰকাৰ আৰু কি কি? ২

৬। অসমীয়া ছন্দৰ ঘাই ধ্বনী কি? ১

৭। অসমীয়াৰ লৌকিক ছন্দৰীতিটোৰ নাম কি? ২

পাঠটো পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ লিখিবা। পাঠটো বুজি নাপালে মোৰ লগত যোগাযোগ কৰিবা।

গতিকেই, ছন্দৰ বহল শ্ৰেণীবিভাগত ঘাইকৈ তিনিটা শ্ৰেণী পৰিলক্ষিত হয়। একোটা ভাষাৰ উচ্চাৰণ-পদ্ধতিতে এই শ্ৰেণীবোৰৰ সংকেত থাকে। জাপানী আদি স্বৰান্ত শব্দবহুল ভাষাৰ ছন্দ সম্পূৰ্ণৰূপে ধ্বনি-নিৰ্ভৰ; ইংৰাজী ভাষাৰ ছন্দ মূলতঃ প্ৰস্বন ভিত্তিক; গ্ৰীক, লেটিন, সংস্কৃত আদি প্ৰাচীন ভাষা আৰু আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ ছন্দ মূলতঃ মাত্ৰা ভিত্তিক। অসমীয়া কাব্যৰ ছন্দৰ ক্ষেত্ৰতো বিশিষ্ট মাত্ৰা বিন্যাসেই ছন্দৰ সৃষ্টি কৰে। সংস্কৃতৰ দৰেই অসমীয়া কাব্যৰ ছন্দ মাত্ৰাভিত্তিক যদিও

মাত্ৰা নিৰূপণৰ পদ্ধতিত ই সংস্কৃতৰ নিয়ম মানি নচলে আৰু ধ্বনিগত স্বৰৰ সংখ্যা আৰু প্ৰস্বনেও ইয়াত (ঘাইকৈ লৌকিক ছন্দত) প্ৰভাব পেলাইছে। আভ্যন্তৰিক বিশ্লেষণত অৱশ্যে মাত্ৰা সংস্থাপনেই ইয়াৰ চৰম নিয়ন্তা।

মাত্ৰা হ'ল ধ্বনিৰ কালগত ব্যাপ্তি। তাকে 'কলা'ও বোলে। উচ্চাৰিত ধ্বনিৰ ন্যূনতম সময়ৰ একক বা গোটকে একোটা মাত্ৰা বুলি ধৰা হয়। কবিতাৰ একোটা চৰণ বা পংক্তি কেইবাটাও ভাগ হৈ থাকে। একোটা পৰ্বত কেইটামান ধ্বনি নিৰ্দিষ্ট ৰূপত থাকে। পৰ্বৰ শেষৰ ধ্বনি অথবা যতিয়েই সাধাৰণতে ছন্দৰ বহল ৰূপটো দাঙি ধৰে, কাৰণ পৰ্বান্তৰ যতিৰ নিয়মিত গতি বা আৱৰ্তনতেই ছন্দ সৃষ্টিকাৰী লয় নিহিত থাকে। এই লয়কে 'ছন্দ স্পন্দ' বুলিও অভিহিত কৰা হয়। নিয়মিত ৰূপত ধ্বনি পুঞ্জ আৱৰ্তিত হয় কাৰণেই বৃত্ত শব্দটো ব্যৱহাৰ কৰা হয়।

উদাহৰণ স্বৰূপে—

নোমাল নিচেই সৰু। বিড়লি কণিক।।
বৰ ভাল পাওঁ মই। মাকতো অধিক।।

ইয়াৰ প্ৰত্যেকটো পংক্তি বা চৰণ দুটা পৰ্বত বিভক্ত; প্ৰথম পৰ্বত আঠোটা ধ্বনি আৰু মাত্ৰাৰ পিছত ধ্বনি বিৰতি ঘটিছে, দ্বিতীয় পৰ্বত ছটা ধ্বনি আৰু মাত্ৰাৰ পিছত ধ্বনি বিৰতি ঘটিছে। দুয়োটা পংক্তিৰ অন্তত ছন্দটো অৰ্থাৎ বৃত্তটো সম্পূৰ্ণ হৈছে। ইয়াৰ চৈধ্যটা ধ্বনিৰ পৰ্ববিলাক ৮+৬=১৪ হিচাপে ভাগ নকৰিলে বাঞ্ছিত ছন্দৰ স্পন্দন অনুভূত নহয় ঃ

"নিচেই সৰু নোমাল বিড়লি কণিক
ই মাকতো অধিক ভাল পাওঁ।"

ইয়াৰ পংক্তিত চৈধ্যটা ধ্বনি থাকিলেও ছন্দ নাই। আকৌ পৰ্ববিলাকৰো আভ্যন্তৰিক ধ্বনি সাম্য নাথাকিলে লয় তথা ছন্দ অনুভূত নহয়। 'নোমাল নিচেই সৰু' নুবুলি 'নিচেই সৰু নোমাল' বুলিলে পৰ্বৰ অন্তৰ্গত ধ্বনি আৰু মাত্ৰা বিন্যাসে ছন্দ সৃষ্টি কৰিব নোৱাৰে। অৰ্থাৎ এইক্ষেত্ৰত ৩+৩+২=৮ হ'ব লাগিব, ৩+২+৩=৮ হ'লে ছন্দ পতন হ'ব।

পৰ্ব-অন্তৰ্গত ধ্বনিসমূহৰ বিন্যাস আৰু সেইবোৰৰ মাত্ৰা নিৰূপণ পদ্ধতিকে ভিত্তি কৰি অসমীয়া কাব্যৰ ছন্দত তিনিটা ৰীতি পৰিলক্ষিত হয় ঃ মাত্ৰাবৃত্ত, যৌগিক আৰু স্বৰবৃত্ত। এই তিনিটা ৰীতি আলোচনা কৰিবলৈ হ'লে কেইটামান কথা মন কৰি থব লাগিব। (১) ধ্বনি দুই প্ৰকাৰৰ, যুগ্ম বা ৰুদ্ধ অৰ্থাৎ হলন্ত ধ্বনি আৰু অযুগ্ম বা মুক্ত অৰ্থাৎ স্বৰান্ত ধ্বনি। (২) সকলো ধ্বনিয়েই স্বৰাশ্ৰিত কিন্তু সংস্কৃতৰ দৰে স্বৰ লঘু, গুৰু আৰু প্লুত আদি গুণৰ দ্বাৰা অসমীয়া কাব্যৰ ছন্দ নিৰ্ণীত নহয়, দুই চৰিত্ৰৰ দ্বাৰাহে হয়। (৩) অসমীয়া কাব্যৰ ছন্দত অযুগ্ম ধ্বনি সদায় এক মাত্ৰাৰ, কিন্তু যুগ্ম ধ্বনিয়ে প্ৰয়োজন